ভাৰত চৰকাৰ
বিধি আৰু ন্যায় মন্ত্ৰালয়

# কোম্পানী (আয়কৰৰ ওপৰত ওপৰঞ্চি কৰ) অধিনিয়ম, ১৯৭১

(১৯৭১ ৰ ৬২ নং অধিনিয়ম)

[১ এপ্ৰিল, ১৯৯০ তাৰিখে যথা বিদ্যমান]

# The Companies (Surcharge on Income Tax) Act, 1971

(Act No. 62 of 1971)

[As on the 1st April, 1990]

ভাৰত চৰকাৰৰ হকে, অসম চৰকাৰ (বিধান বিভাগ) ৰ দ্বাৰা প্ৰকাশিত আৰু
অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী - ২১

## পাতনি

১ এপ্ৰিল, ১৯৯০ তাৰিখে যথা বিদ্যমান কোম্পানী (আয়কৰৰ ওপৰত ওপৰঞ্চি কৰ) অধিনিয়ম, ১৯৭১ (১৯৭১ৰ ৬২ নং)ৰ এই সংস্কৰণত এই অধিনিয়মৰ অসমীয়াত প্ৰাধিকৃত অনুবাদ আছে আৰু এই অসমীয়া অনুবাদ ৭/৯/১৯৯০ তাৰিখৰ ভাৰতৰ ৰাজপত্ৰ, অসাধাৰণ, ভাগ—৬, অনুভাগ—১, নং ১, খণ্ড ১ৰ পৃষ্ঠা ২২ৰ পৰা ২৩ত প্ৰকাশিত হৈছিল।

প্ৰাধিকৃত পাঠ (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাষ্ট্ৰপতিৰ প্ৰাধিকাৰাধীনে অসমীয়াত এই প্ৰাধিকৃত অনুবাদ প্ৰকাশ কৰা হৈছিল আৰু এনেদৰে প্ৰকাশ হোৱাত অসমীয়াত এই অধিনিয়মৰ প্ৰাধিকৃত পাঠৰূপে গণ্য হব।

## PREFACE

This edition of the Companies (Surcharge on Income Tax) Act, 1971 (62 of 1971) as on the 1st April, 1990 contains the authorised translation of that Act in Assamese and the same was published in the Gazette of India, Extraordinary, part VI, Section 1, No. 1, Vol. 1 dated 7th September, 1990 on Pages 22 to 23.

This authorised translation in Assamese was published under the Authority of the President under clause (a) of section 2 of the Authoritative Texts (Central Laws) Act, 1973 and on such publication, it became the authoritative texts of the Act in Assamese.

New Delhi — V. S. RAMA DEVI,

Date 14th Oct. 1990 — Secretary to the Govt. of India.

# কোম্পানী (আয়কৰৰ ওপৰত ওপৰঞ্চি কৰ) অধিনিয়ম, ১৯৭১

## ধাৰাসমূহৰ ক্ৰম

ধাৰাসমূহ—


১। সংক্ষিপ্ত নাম।

২। পৰিভাষা।

৩। ১৯৭১-৭২ চনত কোম্পানীবিলাকৰ আয়কৰৰ ওপৰত লগোৱা ওপৰঞ্চি কৰ।

৪। আদায় কৰা পদ্ধতি।

৫। ওপৰঞ্চি কৰৰ আকলন।

# কোম্পানী (আয়কৰৰ ওপৰত ওপৰঞ্চি কৰ) অধিনিয়ম, ১৯৭১

১৯৭১ চনৰ ৬২ নং

**(১ এপ্ৰিল, ১৯৯০ তাৰিখে যথা বিদ্যমান)**

[১৯৭১ চনৰ ২৩ ডিচেম্বৰ]

আয়কৰ অধিনিয়ম, ১৯৬১ৰ অধীনত ১৯৭১-৭২ চনৰ বিত্তীয় বছৰত, কোম্পানী বিলাকে আগতীয়াকৈ দিবলগীয়া আয়কৰৰ ওপৰত ওপৰঞ্চি কৰ আৰোপণৰ কাৰণে উপবন্ধ কৰিবলৈ এখনি অধিনিয়ম।

ভাৰত গণৰাজ্যৰ দ্বাবিংশ বছৰত সংসদৰ দ্বাৰা নিম্নোক্ত ধৰণে অধিনিয়মিত কৰা হল :—

সংক্ষিপ্ত নাম। — ১। এই অধিনিয়মৰ নাম কোম্পানী (আয়কৰৰ ওপৰত ওপৰঞ্চি কৰ) অধিনিয়ম, ১৯৭১।

পৰিভাষা। — ২। প্ৰসঙ্গত অন্যথা প্ৰয়োজন নহলে এই অধিনিয়মত,—

(ক) 'আয়কৰ অধিনিয়মে' আয়কৰ অধিনিয়ম, ১৯৬১ক বুজাব ; (১৯৬১ চনৰ ৪৩ নং।)

(খ) এই অধিনিয়মত যি শব্দ আৰু উক্তি ব্যৱহৃত হৈছে, সেই বিলাকৰ অৰ্থ 'আয়কৰ অধিনিয়মত' যি দৰে দিয়া হৈছে, সেই অৰ্থকেই বুজাব।

১৯৭১-৭২ চনত কোম্পানী বিলাকৰ আয়কৰৰ ওপৰত লগোৱা ওপৰঞ্চি কৰ। — ৩। (১) ১৯৭১ চনৰ ১ লা এপ্ৰিলৰ পৰা আৰম্ভ হোৱা বিত্তীয় বছৰত যি বিলাক কোম্পানী আয়কৰ অধিনিয়মৰ ২১০ বা ২১২ ধাৰা অনুসৰি আগতীয়াকৈ কৰ দিবলৈ দায়ী, তেনেকৈ আগতীয়াকৈ দিব লগা কৰৰ উপৰিও তেনে প্ৰত্যেক কোম্পানীয়ে তেনেদৰে ওপৰঞ্চি ১৯৭২ চনৰ মাৰ্চ মাহৰ ১৫ তাৰিখ বা তৎপূৰ্বে কেন্দ্ৰীয় চৰকাৰৰ জমাখাতাত উপধাৰা (২)ত বিনিৰ্দিষ্ট মুঠ ধনৰ পৰিমাণৰ ওপৰত শতকৰা ২½ ভাগ নিৰিখত আয়কৰৰ ওপৰত ওপৰঞ্চি কৰ হিচাবে দিব লাগিব।

(২) উপধাৰা (১)ত উল্লেখ কৰা ধনৰ হিচাব হব—

(i) আয়কৰ অধিনিয়মৰ ধাৰা ২১০ৰ উপধাৰা (১) বা উপধাৰা (৩)ৰ অধীনত দিয়া এক আদেশ অনুসৰি আগতীয়াকৈ কৰ দিবলগীয়া ক্ষেত্ৰত তেনে আদেশত বিনিৰ্দিষ্ট কৰা ধনৰ পৰিমাণ ;

(ii) কোম্পানীয়ে দাখিল কৰা প্ৰাক্‌কলনৰ ভিত্তিত আয়কৰ অধিনিয়মৰ ধাৰা ২১২ৰ উপধাৰা (১) বা উপধাৰা (২) বা উপধাৰা (৩) বা উপধাৰা (৩ক)ৰ অধীনত দেয় আগতীয়া কৰৰ ক্ষেত্ৰত সেইদৰে আগতীয়াকৈ দিবলগীয়া ধনৰ পৰিমাণ।

(৩) আয়কৰ বিষয়াৰ পৰা কোনো দাবীৰ জাননী নোপোৱাকৈ উপধাৰা (১)ৰ অধীনত কোনো কোম্পানীয়ে আয়কৰৰ ওপৰত ওপৰঞ্চি কৰ হিচাবে দিব লগা ধন আদায় কৰিব লাগিব।

আদায় কৰা পদ্ধতি ।

৪। যদি ধাৰা ৩ ৰ উপধাৰা (১) ৰ অধীনত দিবলগীয়া কৰ ১৯৭২ চনৰ ১৫ মাৰ্চ তাৰিখ বা তৎপূৰ্বে আদায় কৰা নহয় তেতিয়া সেই কোম্পানীক ব্যতিক্ৰমী কৰদাতা বুলি গণ্য কৰা হব আৰু—

(ক) কোম্পানীয়ে ১৯৭২ চনৰ ১৬ মাৰ্চৰ পৰা শতকৰা বাৰ্ষিক ৯ টকা হিচাপে সুদ দিবলৈ দায়বদ্ধ হব ;

(খ) আয়কৰ অধিনিয়মৰ ধাৰা ২২১ৰ পৰা ২২৭ লৈ, ধাৰা ২২৯, ধাৰা ২৩১ আৰু ধাৰা ২৩২ আৰু সেই অধিনিয়মৰ দ্বিতীয় আৰু তৃতীয় অনুসূচী আৰু তাৰ অধীনত প্ৰণীত যি কোনো নিয়মাৱলীৰ সকলোবোৰ উপবন্ধ যিমান দূৰ সম্ভৱ হয়, এনেভাবে প্ৰয়োগ হব যেনিবা সেই অধিনিয়মৰ অধীনত সেই উপবন্ধসমূহ এই অধিনিয়মৰহে উপবন্ধ আছিল আৰু জৰিমনা আৰু সুদৰ উল্লেখৰ পৰিবৰ্তে এই অধিনিয়মৰ অধীনত লগোৱা **আয়কৰৰ ওপৰত ওপৰঞ্চি কৰ আৰু জৰিমনা আৰু সুদ হিচাপে লগোৱা** ধনৰ পৰিমাণহে উল্লেখ কৰিছে আৰু যেনিবা ধাৰা ২১০ ৰ উপধাৰা (২) ৰ উল্লেখ এই ধাৰাৰ খণ্ড (ক)ৰ হে উল্লেখ আছিল ।

ওপৰঞ্চি কৰৰ আকলন ।

৫। এই অধিনিয়ম অনুসৰি কোনো কোম্পানীয়ে আয়কৰৰ ওপৰত ওপৰঞ্চি কৰ আদায় দিলে বা কোনো কোম্পানীৰ পৰা উচল কৰা হলে তাক সেই কালৰ আয়ৰ সম্পৰ্কত আয়কৰ অধিনিয়মৰ অধীনত কৰা কৰৰ আদায় বুলি **ধৰা হব যিটো কাল ১৯৭২ চনৰ এপ্ৰিল মাহৰ ১ তাৰিখে প্ৰাৰম্ভ হোৱা** কৰ নিৰ্দ্ধাৰণ বৰ্ষৰ পূৰ্ববৰ্তী বৰ্ষ আছিল আৰু তাৰ আকলন কৰ আয়কৰ অধিনিয়মৰ ধাৰা ১৪০ ক, ধাৰা ১৪১ ক, ধাৰা ১৪৩ বা ধাৰা ১৪৪ ৰ অধীনত কৰ নিৰ্দ্ধাৰণৰ উদ্দেশ্যত সেই আদায়ক কোম্পানীৰ জমাখাতাত ধৰা হব ।

---